# আমাৰ মহান ৰজা যীচুৰ বাধ্য হোৱা

## আমি বিশ্বাসীসকলে যীচুৰ আজ্ঞা পালন কৰোঁ, কাৰণ আমি তেওঁক প্ৰেম কৰোঁ।

**প্ৰাৰ্থনা ঃ** “প্ৰভু যীচু, আপুনি আমাৰ কাৰণে মৰিল, পুনৰ জী উঠিল আৰু স্বৰ্গীয় গৌৰৱলৈ গ’ল। মই আৰু মোৰ জাকে আপোনাক প্ৰেম কৰোঁ। আপোনাৰ আজ্ঞা পালন কৰি প্ৰেমেৰে আপোনাৰ পৰিচৰ্য্যা কৰিবলৈ আমাক শিকাওক।”

**১। বাধ্যতা শিকাবলৈ, প্ৰাৰ্থনা আৰু ঈশ্বৰৰ বাক্যৰে নিজকে প্ৰস্তুত কৰক।**

**স্তিফানৰ বিৰৰণৰ পৰা শিকক**-তাড়না, দুঃখ কষ্ট আৰু অগ্ৰাহ্য হওঁতে বাধ্যতাই কেনেকৈ আপোনাৰ জাকক মজবুত আৰু সহায় কৰে। তেওঁ কৰা কৰ্ম্মৰ সাক্ষ্য হ’বলৈ স্তিফানৰ এগৰাকী প্ৰথম বিশ্বাসী আছিল যিজনে যীচুৰ আজ্ঞা পালন কৰাৰ বাবে শ্বহীদ হৈছিল (পাঁচনিৰ কৰ্ম্ম ১ঃ৮)



**পাঁচনিৰ কৰ্ম্ম ৭ঃ৫৪-৮ঃ৮ পদত চাওক।**

- ঈশ্বৰৰ আশীৰ্ব্বাদে স্তিফানক তৃপ্ত কৰিছিল।
- তেওঁ কি দেখা পাবলৈ সক্ষম হ’ল?
- তেওঁ কিহৰ বিষয়ে সাক্ষ্য দিছিল।
- তেওঁ কি প্ৰাৰ্থনা কৰিছিল।
- তেওঁলোকে যোৱা সকলো ঠাইবিলাকত বিশ্বাসীসকলে কি কৰিবলৈ আৰম্ভ কৰিলে।

**যোহন ১৪ঃ১৫-২১... পদত চাওক।**

- খ্ৰীষ্টৰ প্ৰতি প্ৰেম বিশ্বাসীসকলে কেনেকৈ প্ৰদৰ্শন কৰা উচিত।
- যীচুৰ আজ্ঞা পালনকাৰী সকললৈ অহা অনুগ্ৰহ বিলাক।

**ইব্ৰী ৫ঃ৮-৯ পদত চাওক...**

- কেনেকৈ যীচুৱে নিজে আজ্ঞা পালন কৰিবলৈ শিকিলে।
- যীচুৰ আজ্ঞা পালনকাৰী সকললৈ অহা অনুগ্ৰহ বিলাক।

**১ যোহন ২ঃ৩-৪ পদত চাওক।**

- খ্ৰীষ্টক আমি জনা বুলি কেনেকৈ আমি নিশ্চিত হম।
- যীচুৰ আজ্ঞা পালনকাৰী সকললৈ অহা অনুগ্ৰহবিলাক।

**১ পিতৰ ১ঃ২ পদত চাওক।**

- ঈশ্বৰে তেওঁৰ নিজৰ হ'বলৈ আমাক বাচি লোৱা বুলি আমি কেনেকৈ নিশ্চিত হ'ম।
- যীচুৰ আজ্ঞা পালনকাৰী সকললৈ অহা অনুগ্ৰহবিলাক।

**পাঁচনিৰ কৰ্ম্ম ৫ঃ২৭-৩২ পদত চাওক।**

- বিৰোধী ক্ষমতাপন্ন সকলক সত্যতাৰে উত্তৰ দিবলৈ আমি কেনেকৈ সাহস পাম।
- যীচুৰ আজ্ঞা পালনকাৰী সকললৈ অহা অনুগ্ৰহবিলাক।

**মথি ২৮ঃ১৬-২০ পদত চাওক।**

- কিমান ক্ষমতাৰে যীচুৱে তেওঁৰ শেষ আজ্ঞা দিছিল।
- যীচুৰ শিষ্য হোৱাত আনক সহায় কৰিবলৈ আমাক কিদৰে আজ্ঞা দিছে।
- যীচুৰ আজ্ঞা পালনকাৰী সকললৈ অহা অনুগ্ৰহবিলাক।



**১ পিতৰ ১ঃ১৩-২২ পদত চাওক।**

- এই জগতত আজ্ঞা পালনকাৰী খ্ৰীষ্টিয়ানসকলে কেনেকৈ তেওঁবিলাকৰ জীৱন নিৰ্ব্বাহ কৰে।
- যীচুৰ আজ্ঞা পালনকাৰী সকললৈ অহা অনুগ্ৰহবিলাক।

**প্ৰকাশিত বাক্য ১৪ঃ১২-১৩ পদত চাওক।**

- শেষলৈকে খ্ৰীষ্টিয়ান সকলে কেনেকৈ যীচুৰ বাধ্য হৈ থাকিব।
- যীচুৰ আজ্ঞা পালনকাৰী সকললৈ অহা অনুগ্ৰহবিলাক।

বাওঁফালে তলত দিয়া পদবোৰৰ তালিকা চাওক, যিৰূচালেমত থকা নতুন বিশ্বাসীসকলে যীচুৰ কেইটিমান আজ্ঞা তৎক্ষণাত পালন কৰিবলৈ ধৰিলে (পাঁচনিৰ কৰ্ম্ম ২ঃ৩৮-৪৭)। সোঁফালে দিয়া বিষয়বোৰ মিলা প্ৰত্যেক পদৰ পৰা এডাল ৰেখা টানা।

| | |
|---|---|
| **লূক ২২ঃ১৯-২০** | **প্ৰেমৰ সহভাগিতা** |
| **যোহন ১৩ঃ৩৪** | **পিঠা ভঙা** |
| **লূক ৬ঃ৩৮** | **বাপ্তাইজিত কৰা** |
| **মথি ২৮ঃ১৯-২০** | **যীচুৰ নামত প্ৰাৰ্থনা** |
| **যোহন ১৬ঃ২৪** | **মুক্তহস্তে দান কৰা** |

২। **সপ্তাহটোত কৰিবলগীয়া কামৰ আঁচনি সহকৰ্ম্মী সকলৰ লগত কৰক।**

বৰ্ত্তমানৰ প্ৰয়োজনত খাপ-খুউৱা কামবোৰ বাছি লওক। আপুনি...

- দুঃখ কষ্ট অথবা তেওঁলোকৰ বিশ্বাসৰ কাৰণে বন্দীশালত থকা বিশ্বাসীসকলক পৰিদৰ্শন কৰক, আৰু প্ৰথম

খণ্ডত থকা বাইবেলৰ পদবোৰৰ পৰা উৎসাহ দিয়ক।

- আপোনাৰ তাড়নাকাৰী সকলৰ নাম চিনাক্ত কৰি তেওঁবিলাকৰ নিমিত্তে প্ৰাৰ্থনা কৰক যেন ঈশ্বৰে তেওঁলোকক আশীৰ্ব্বাদ কৰিব আৰু তেওঁ নিজকে জানিবলৈ দিব।
- বিশ্বাসীসকলে তাড়নাৰ প্ৰতি কেনে সঁহাৰি জনাইছিল, আৰু তেওঁলোকৰ কেনেকৈ যীচুৰ প্ৰতি বিশ্বাসী হৈ থাকিব আলোচনা কৰক। ঈশ্বৰৰ ভজনা কৰক আৰু বিশ্বাসী হৈ থাকিবলৈ তেওঁৰ সাহস বিচাৰি, একেলগে সময় নিয়াওক।

**৩। হ'বলগীয়া উপাসনা সময়ৰ কাৰণে সহকৰ্ম্মীসকলৰ লগত আঁচনি কৰক।**

বৰ্ত্তমান প্ৰয়োজন আৰু থলুৱা ৰীতি নিয়মত খাপ খোৱা কামবোৰ বাচি লওক।

পাঁচনিৰ কৰ্ম্ম ৭ঃ৫১-৮ঃ৮ ৰ স্তিফানৰ শ্বহীদ হোৱা বিৱৰণ নাটক কৰি পৰিবেশন কৰক।

প্ৰথম খণ্ডৰ তালিকাত দিয়া বাইবেলৰ কিছুমান পদকেইটা বিশ্বাসীসকলৰ লগত পৰ্য্যালোচনা কৰক। আপুনি কি পালে তাৰ প্ৰশ্ন কৰক। সেই বিষয়ে ক'বলৈ উৎসাহ দিয়ক। তেওঁলোকে শুদ্ধ উত্তৰ দিব নোৱাৰিলে, আপুনি শুদ্ধ উত্তৰবোৰ তেওঁলোকক কওক।

যোৱা সপ্তাহটোত যীচুৰ কিছুমান আজ্ঞাবোৰ পালন কৰা বাবে কেনেকৈ ঈশ্বৰে তেওঁলোকক আশীৰ্ব্বাদ কৰিলে, বিশ্বাসীসকলক সেই বিষয়ে সাক্ষ্য দিবলৈ কওক।

ল'ৰা-ছোৱালীয়ে যুগুত কৰা নাটক আৰু বাইবেল পাঠবোৰ বয়সীয়া সকলৰ আগত দোহাৰিবলৈ দিয়ক।

প্ৰভুৰ ভোজৰ পৰিচৰ্য্যা কৰাৰ আগেয়ে, প্ৰকাশিত বাক্য ১৯ঃ৫-১০ পদত দিয়া মেৰ পোৱালিৰ বিবাহৰ বিষয়ে পঢ়ক। যীচু জগতলৈ পুনৰ আগমন আৰু তেওঁৰ সেই মহান ভোজৰ আমি সহভাগি হোৱাত প্ৰভু ভোজে আমাক সহায় কৰে সেই কথা বৰ্ণনা কৰক।



প্ৰত্যেকৰে প্ৰয়োজন আৰু চিন্তা-ভাবনা, পৰস্পৰে উৎসাহ দিয়া বাক্য কোৱা, আৰু যীচুৰ বাধ্য হৈ থাকিবলৈ ইজনে সিজনৰ কাৰণে প্ৰাৰ্থনা কৰা আৰু বিশ্বাসীসকলৰ শত্ৰু আৰু তাড়নাকাৰী সকলৰ নিমিত্তে প্ৰাৰ্থনা কৰিবলৈ উপাসনাকাৰী সকলৰ সৰু সৰু গোটবোৰ গঠন কৰক।

**একেলগে মুখস্থ কৰক,** ৰোমীয়া ৬ঃ১৭-১৮।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net.